১২৫ ব্যঞ্জন-ধ্বনি ঃ ব্যঞ্জন-ধ্বনিত লক্ষ্য কৰিবলগীয়া কথা হৈছে (ক) কি কি ধ্বনি-যন্ত্ৰৰ সহায়েৰে ধ্বনিবোৰ উচ্চাৰিত হৈছে আৰু (খ) ধ্বনিবোৰ কিদৰণে (আংশিকভাৱে বতাহে বাধা পাইছে, নে সম্পূৰ্ণৰূপে বাধা পাইছে, নে ঘঁহনি খাইছে) উচ্চাৰিত হৈছে। ওপৰত উল্লেখ কৰা ধ্বনি-যন্ত্ৰকেইটাৰ ভিতৰত কণ্ঠতন্ত্ৰী, কোমল-তালু, জিভা, আৰু ওঁঠ চলনশীল। ইয়াৰ বাহিৰে কিছুমান ধ্বনি-যন্ত্ৰ স্থিৰ ; যেনে, দাঁত, দাঁতৰ গুৰি বা দন্ত-মূল, কঠিন-তালু ইত্যাদি। চলনশীল আৰু স্থিৰ আটাইবোৰ ধ্বনি-যন্ত্ৰৰ সহযোগিতাত ব্যঞ্জন-ধ্বনি উচ্চাৰিত হয়। বিভিন্ন ধ্বনি-যন্ত্ৰৰ সহায়েৰে উচ্চাৰিত হোৱা অনুযায়ী যদি ব্যঞ্জন-ধ্বনিবোৰক ভগোৱা হয় তেনেহ'লে আমি এইকেইটা প্ৰধান ভাগ পাওঁ :

(ক) ওঁঠদুটাৰ সহযোগত উচ্চাৰিত ধ্বনি ওষ্ঠ্য ধ্বনি ; যেনে, অসমীয়া প, ব।

(খ) তলৰ ওঁঠ আৰু ওপৰ পাৰি দাঁতৰ সংযোগত উচ্চাৰিত ধ্বনি দন্তৌষ্ঠ্য ; যেনে, ইং. f.v.

(গ) জিভাৰ আগটো দুই পাৰি দাঁতৰ মাজত লাগি নাইবা ওপৰ পাৰি দাঁতত লাগি উচ্চাৰিত হোৱা ধ্বনি হ'ল দন্ত্য ধ্বনি ; যেনে, সংস্কৃত ত, দ। জিভাৰ আগটো পিছৰ পিনে ঘূৰাই কৰা ধ্বনি মূৰ্ধন্য ধ্বনি ; যেনে, সং. ট, ড।

(ঘ) জিভাৰ আগটো দাঁতৰ গুৰিত লাগি উচ্চাৰিত হোৱা ধ্বনিক দন্তমূলীয় ধ্বনি বোলে ; যেনে, অসমীয়া ত, দ, ট, ড।

(ঙ) জিভাৰ আগ-ভাগ আৰু কঠিন-তালুৰ সংযোগত হোৱা ধ্বনি তালব্য ধ্বনি ; যেনে, সং. চ, জ।

(চ) জিভাখনৰ পিছ-ফাল আৰু কোমল-তালুৰ সংযোগত হোৱা ধ্বনি ; কণ্ঠ্য ধ্বনি ; যেনে, অসমীয়া ক, গ। আলজিভাৰ ওচৰৰ অংশৰ সহায়ত উচ্চাৰিত ধ্বনি কণ্ঠমূলীয় বা অলিজিহ্ব ; যেনে, আৰবী ক।

(ছ) কণ্ঠতন্ত্ৰী-বিবৰত উচ্চাৰিত ধ্বনিক কণ্ঠনালীয় বোলা হয় ; যেনে, অসমীয়া হ।

১২৫.১ উচ্চাৰণৰ ধৰণৰ পিনৰ পৰা চালে ব্যঞ্জন-ধ্বনিবোৰক আকৌ পাঁচটা ভাগত ভগাব পাৰি ; যেনে ঃ

(ক) মুখলৈ অহা বতাহক কোনো এঠাইত অলপ সময়ৰ কাৰণে সম্পূৰ্ণৰূপে বাধা দি হঠাৎ খুলি দিয়াৰ ফলত বতাহখিনি এটা শব্দ কৰি ওলাই গৈ যিবোৰ ধ্বনি উচ্চাৰিত হয় সেইবোৰক স্পৰ্শ-ধ্বনি বোলে; যেনে, অসমীয়া প, ব, ত, দ, ক, গ।

(খ) মুখলৈ অহা বতাহক মুখৰ কোনো এঠাইত সম্পূৰ্ণৰূপে বাধা দি কোমল-তালুখন নমাই ৰাখি নাকেদি বতাহখিনি যাবলৈ দিয়াত যি ধ্বনিৰ সৃষ্টি হয় তাক নাসিক্য ধ্বনি বোলে ; যেনে, অসমীয়া ম, ন, ঙ।

(গ) মুখৰ মাজত বতাহক বাধা দি বতাহখিনি জিভাৰ একাষ বা দুই কাষেদি যাবলৈ দিয়াৰ ফলত যি ধ্বনি উচ্চাৰিত হয় তাক পাৰ্শ্বিক ধ্বনি বোলে ; যেনে, অসমীয়া ল।

(ঘ) জিভাৰ আগটো কঁপি কঁপি দাঁতৰ আলুৰ ওপৰত যি ধ্বনিৰ সৃষ্টি কৰে তাৰ নাম কম্পিত ধ্বনি ; যেনে, অসমীয়া ৰ।

(ঙ) বতাহ অহা বাটক কোনো এঠাইত ঠেক কৰি বতাহখিনি ঘঁহনি খাই উচ্চাৰিত হোৱা ধ্বনিৰ নাম উষ্ম ধ্বনি ; যেনে, অসমীয়া স, চ, জ। নাসিক্য পাৰ্শ্বিক, আৰু কম্পিত ব্যঞ্জন-ধ্বনিবোৰক একেলগে দ্ৰৱ-ধ্বনিও বোলে।

বিভিন্ন ব্যঞ্জন-ধ্বনিৰ তালিকা :

| | ওষ্ঠ্য | দন্তমূলীয় | কণ্ঠ্য | কণ্ঠনালীয় |
|---|---|---|---|---|
| স্পর্শঃ অল্প-প্রাণ | প ব | ত দ | ক গ | |
| মহাপ্রাণ | ফ ভ | থ ধ | খ ঘ | |
| নাসিক্য | ম | ন | ঙ | |
| পার্শ্বিক | | ল | | |
| কম্পিত | | ৰ | | |
| উষ্ম | | চ জ | স | হ |

১২৬ স্পৰ্শ আৰু উষ্ম ধ্বনিবোৰৰ কিছুমান অঘোষ আৰু কিছুমান ঘোষ ধ্বনি। নাসিক্য, পাৰ্শ্বিক, আৰু কম্পিত ধ্বনিবোৰ সাধাৰণতে ঘোষ ধ্বনি। কোনো ধ্বনিৰ সৃষ্টি হোৱাৰ লগে লগে যদি অলপ বতাহ বেছিকৈ ওলায়, তেতিয়া তাক মহাপ্ৰাণ-ধ্বনি বোলে। লগে লগে অধিক মাত্ৰাৰ বতাহ নোলোৱা ধ্বনিক অল্পপ্ৰাণ-ধ্বনি বোলা হয়। সংস্কৃতৰ বৰ্গৰ দ্বিতীয় আৰু চতুৰ্থ বৰ্ণ (ধ্বনি) মহাপ্ৰাণ। বৰ্গৰ প্ৰথম, তৃতীয়, আৰু পঞ্চম ধ্বনি অল্পপ্ৰাণ। অসমীয়াত খ, ঘ, থ, ধ, ফ, ভ আদি মহাপ্ৰাণ আৰু ক, গ, ঙ, ত, দ, প, ব, ম আদি অল্পপ্ৰাণ।